# মন কী বাত

প্রথম খণ্ড



# MANN KI BAAT

## VOL.1

**Published by**
Amar Chitra Katha Pvt. Ltd

**Edition I**

**ISBN: 978-81-19242-22-1**

©Amar Chitra Katha Pvt. Ltd, May 2023
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.



# মন কী বাত

প্রথম খণ্ড



# The Route to your Roots

When they look back at their formative years, many Indians nostalgically recall the vital part Amar Chitra Katha comics have played in their lives. It was **Amar Chitra Katha** that first gave them a glimpse of their glorious heritage.
Since they were introduced in 1967, there are now over **500 Amar Chitra Katha** titles to choose from. **Over 100 million copies** have been sold worldwide.
Now, Amar Chitra Katha titles are even more widely available in **1000+ bookstores all across India**. If you do not have access to a bookstore near you, you can also buy all the titles through our online store, **www.amarchitrakatha.com**. We provide quick delivery anywhere in the world. To make it easy for you to locate the titles of your choice from our treasure trove of titles, the books are now arranged in six categories.

**Epics and Mythology**
Best known stories from the Epics and the Puranas

**Indian Classics**
Enchanting tales from Indian literature

**Fables and Humour**
Evergreen folktales, legends and tales of wisdom and humour

**Bravehearts**
Stirring tales of brave men and women of India

**Visionaries**
Inspiring tales of thinkers, social reformers and nation builders

**Contemporary Classics**
The best of modern Indian literature

**Illustrations and Cover Art:** Dilip Kadam

**Production:** Amar Chitra Katha

AMAR CHITRA KATHA PVT. LTD

© Amar Chitra Katha Pvt. Ltd, April 2023

Facebook: The Amar Chitra Katha Studio | Instagram: @amarchitrakatha | Twitter: @ACKComics | YouTube: Amar Chitra Katha

Get access to Amar Chitra Katha's digital library on the **ACK Comics App**. Visit **digital.amarchitrakatha.com**

You can now get ACK stories as part of your classroom with **ACK Learn**,
a unique learning platform that brings these stories to your school with a range of workshops.
Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.

২০১৪ চনৰ ৩ অক্টোবৰ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ জনসাধাৰণক বিশেষ কিছু ক্ষেত্ৰৰ সৈতে চিনাকি কৰাই দিয়ে।

মোৰ মৰমৰ ভাৰতবাসী, আজি বিজয়াদশমীৰ উৎসৱমুখৰ পৰিৱেশত, মই মোৰ কিছু বিশেষ চিন্তা আপোনালোকৰ লগত ভগাই ল'ব খুজিছোঁ। আৰু আগন্তুক দিনতো মাহত অন্ততঃ এবাৰ বা দুবাৰ তেনেকৈয়ে ভাগ-বতৰা কৰি যাবলৈ ভাল পাম । স্বামী বিবেকানন্দই সততে কোৱা এটা কাহিনীকে কওঁঃ



এবাৰ এজনী মাইকী সিংহই নিজৰ পোৱালি দুটাৰ সৈতে ঘূৰি ফুৰোতে এপাল ভেড়া দেখা পালে। ভেড়াপালক দেখি তাই চিকাৰ কৰিবলৈ জঁপিয়াই পৰিল। খেদাখেদিত সিংহজনীৰ পোৱালি এটা সিহঁতৰ পৰা আঁতৰি ভেড়াপালৰ লগতে থাকি গ'ল।

থাকি যোৱা সিংহৰ পোৱালীটোক এজনী ভেড়াই উদ্ধাৰ কৰে আৰু নিজৰ পোৱালীৰ দৰেই চোৱাচিতা কৰিবলৈ ধৰিলে। সিংহৰ পোৱালিটো লাহে লাহে ভেড়াপালৰ মাজত ডাঙৰ হ'ল আৰু নিজকে এটা ভেড়া বুলিয়ে গণ্য কৰিবলৈ ললে। সি ভেড়াৰ দৰেই কথা ক'বলৈ শিকিলে, সিহঁতৰ দৰেই দৌৰিবলৈ আৰু সিহঁতৰ দৰেই আচৰণ কৰিবলৈ ললে। কেইবছৰমান পিছত মাকৰ লগত থাকি যোৱা পোৱালীটো ডাঙৰ হ'ল আৰু হঠাতে ভায়েকক লগ পালে। সি বিশ্বাস কৰিব নোৱাৰিলে যে এটা সিংহই কিয় ভেড়াৰ দৰে আচৰণ কৰিছে !

"তোমাৰ কি হৈছে" সি সুধিলে। "তুমি কিয় ভেড়াৰ দৰে কথা কৈছা আৰু ব্যৱহাৰ কৰিছা ?"

আনটো সিংহই ক'লে - "মই সিহঁতৰ লগতে ডাঙৰ হৈছোঁ। গতিকে মোৰ সকলো অভ্যাস, কথা-বতৰা আৰু আচৰণবোৰো সিহঁতৰ দৰেই হৈছে ।"



"তুমি মোৰ লগত আঁহা, মই তোমাক দেখুৱাম তুমি আচলতে কোন"- প্ৰথম সিংহই ক'লে।

সি ভায়েকক এটা কুঁৱাৰ ওচৰলৈ লৈ গ'ল -

"এয়া চোৱা, তোমাৰ মুখখন মোৰ লগত একে নহয়নে ? তুমি এটা সিংহহে, ভেড়া নহয়।"

সদায় নিজকে ভেড়া বুলি ভবা সিংহটো আচৰিত হৈ পৰিল। সি নিজকে সিংহ বুলি চিনি পালে। লগতে নিজৰ শক্তি আৰু আত্মসন্মানবোধ ঘূৰাই পালে আৰু মূৰ ডাঙি প্ৰকৃত সিংহৰ দৰে গৰ্জন কৰি উঠিল।

এই দেশৰ আমি সকলোৱে আমাৰ আত্মসন্মান আৰু আত্মবিশ্বাস পুনৰ লাভ কৰিব লাগিব। আমি আমাৰ শক্তিক চিনি পাব লাগিব। যদিহে সেয়া সম্ভৱ হৈ উঠে আমি এটা প্ৰগতিশীল আৰু সমৃদ্ধিশালী জাতি হৈ উঠিম।



বছৰ বছৰ ধৰি প্ৰধানমন্ত্ৰীয়ে তৃণমূল পৰ্যায়ৰ সফল ব্যক্তিসকলৰ কাহিনীবোৰ পোহৰলৈ আনিছে যিসকলে আমাৰ স্বচ্ছন্দ আৰু আৰামদায়ক জীৱনৰ বাবে বীৰৰ দৰে কাম কৰি আহিছে।
আজি, মই তোমালোকক কৰ্ণাটকৰ দাসন্নাদোদি গাঁৱৰ কামেগৌড়াৰ বিষয়ে ক'বলৈ বিচাৰিছোঁ। তেওঁ এজন ভেড়াৰখীয়া যি নিজ হাতেৰে ১৬টা পুখুৰী খান্দিছিল যাতে মানুহ আৰু জীৱ-জন্তুৱে গৰমৰ দিনত পানী খাব পাৰে ।
তেওঁ সমাজৰ উন্নতিৰ বাবে কাম কৰা বহু গোটৰ ওপৰতো আলোকপাত কৰিছে।
যোৱা আঠ বছৰ ধৰি, পৰিৱৰ্তন*ৰ যুৱকসকলে বাংগালোৰোৰ ৩৫০ টাতকৈও অধিক অঞ্চলৰ চাফাই কৰি ৰূপান্তৰিত কৰিছে এতিয়া প্ৰতি দেওবাৰে ১৫০ জনকৈ লোকে নতুনকৈ স্বেচ্ছাই যোগদান কৰে আৰু চহৰখনৰ চাফাই কাম কৰে। তেওঁলোকৰ মূলমন্ত্ৰ হ'ল – 'অভিযোগ কৰা বন্ধ কৰক, হাতে কামে লাগক'।
প্ৰধানমন্ত্ৰীয়ে শ্ৰোতাসকলক স্বাধীনতা সংগ্ৰামীসকলে কৰা প্ৰচণ্ড ত্যাগৰ কথা সোঁৱৰাই দিয়ে।
স্বাধীনতা সংগ্ৰামৰ সৈতে ৭৫ টাতকৈও অধিক ৰেল ষ্টেচন জড়িত আছিল। নেতাজী সুভাষ চন্দ্ৰ বসুৱে ঝাৰখণ্ডৰ গমোহ জংচনৰ পৰা জাৰ্মানীলৈ পলাই গৈছিল। উত্তৰ প্ৰদেশৰ কাকোৰী ৰেলৱে ষ্টেচনতে ৰাম প্ৰসাদ বিছমিল, আছফাকুল্লা খান আৰু চন্দ্ৰ শেখৰ আজাদে ব্ৰিটিছ কোষাগাৰৰ পৰা টকা কঢ়িয়াই অনা এখন ৰেল লুটপাত কৰিছিল।
কাকোৰী
KAKORI
এটা অতি আমোদজনক খণ্ডত, তেওঁ নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰা দুটা সেনা কুকুৰৰ প্ৰশংসা কৰে।
চফি – বিশেষ নিৰাপত্তা বাহিনীত নিযুক্ত
ভিডা – উত্তৰ কামাণ্ডোৰ অন্তৰ্গত।
ছফী, যি নাকেৰে শুঙি ব্যৱহৃত বিস্ফোৰক যন্ত্ৰৰ উদ্ধাৰৰ চেষ্টা কৰে। ভিডা, যি পাঁচটা মাইনচ্ বোমা আৰু গ্ৰেণেড ধৰা পেলাই তেওঁৰ সৈন্যসকলক সুৰক্ষা প্ৰদান কৰে। তোমাক যদি প্ৰয়োজন হয় এটা ভাৰতীয় কুকুৰ পোহা। সিহঁতি বুদ্ধিমান, শক্তিশালী আৰু ৰাখিবলৈও বহুত সহজ। আহা, ভাৰতীয় হিচাপে প্ৰতিটো ক্ষেত্ৰতে গৌৰৱবোধ কৰোঁ।
মন কী বাতে ১০০ সংখ্যক খণ্ড অতিক্ৰম কৰিলে। বহু লোকে আজি এয়া শুনে আৰু অনুপ্ৰাণিত হয়।

# বিষয়


| | | |
|---|---|---|
| 1 | যোগেশ চেইনী | 6 |
| 2 | স্মাইল খাট্রী | 10 |
| 3 | ৰাজু | 13 |
| 4 | ঙুৰাং মীনা | 16 |
| 5 | পন মৰিয়াপ্পান | 19 |
| 6 | কালমানে কামেগৌড়া | 21 |
| 7 | প্রদীপ সাংৱান | 24 |
| 8 | কাম্যা কার্তিকেয়ন | 27 |
| 9 | আনভী জাঞ্জাৰুকীয়া | 30 |

# যোগেশ চেইনী


শ্ৰেণীকোঠাত বহুত উত্তেজনা বিৰাজ কৰিছিল।
ইকবাল, নায়াৰ ছাৰে কৈছিল যে আজিৰ পাঠদান বিশেষ হ'ব।
অ' শ্ৰেয়াছ, মই আশাকৰোঁ ই মজাৰ হ'ব। যেনে ভেকুলী জাপ বা খো খো বা....
ইকবালে নিজৰ কথা সম্পূৰ্ণ কৰাৰ আগতে -
সুপ্ৰভাত ছাত্ৰ-ছাত্ৰীসকল।
সুপ্ৰভাত ছাৰ।
ছাৰ, আমি এতিয়া কি কৰিম ।
প্ৰথমতে মোৰ এটা প্ৰশ্ন আছে, তোমালোকে মন কী বাত শুনিছানে?
মই শুনিছো ছাৰ! এইটো এটা ৰেডিঅ' অনুষ্ঠান, য'ত আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাৰ লগত কথা পাতে আৰু আমাক বহু কাহিনী কয়।
খুব ভাল কথা বিদ্যা। কিন্তু কি বিষয়ে কথা কয় নো?
তেওঁ ভাৰতবৰ্ষ আৰু ইয়াৰ মানুহবোৰৰ কথা কয় যিসকলে উল্লেখনীয় কাম কৰি আছে।
লক্ষ্মী, সঠিক কথাই কৈছা।

# যোগেশ চেইনী


আমাৰ পৰৱৰ্তী সপ্তাহসমূহত আমি একোটাকৈ পিৰিয়ডত তেওঁৰ মন কী বাতৰ গল্পৰ বিষয়ে কম। যি নিজৰ বিশেষ কৰ্মৰাজীৰে সমাজলৈ পৰিৱৰ্তন আনিছে তেওঁলোকৰ কথা পাতিম। আমি আমাৰ চহৰ দিল্লীৰ পৰাই আৰম্ভ কৰিম। তেওঁ হ'ল যোগেশ চেইনী।
মই তেওঁৰ কথা শুনিছোঁ। তেওঁৰ চিত্ৰকলাবোৰ দেৱালত, ফ্লাইঅভাৰৰ তলত, আমাৰ বিদ্যালয়ৰ সন্মুখত সদায়ে দেখি থাকোঁ।
ঠিকেই কৈছা গৌৰী। তেওঁ আমাৰ চহৰখন চাফা কৰি সৌন্দৰ্যবৰ্ধনৰ কাম কৰি আহিছে। আজি তেওঁৰ কাহিনী কম।
যোগেশে আমেৰিকা যুক্তৰাষ্ট্ৰত ২০ বছৰ থাকি ভাৰতলৈ ঘূৰি আহিল। এদিন তেওঁ লোধি গাৰ্ডেনত খোজ কাঢ়ি আছিল।
আমাৰ এনেকুৱা সুন্দৰ ৰাজহুৱা স্থান আছে, কিন্তু বেছিভাগতেই ৰঙৰ অভাৱ। পৃথিৱীখন ৰঙীন আৰু উজ্জ্বল হ'লে কিমান ভাল আছিল।
ৰ'বা...মই কিয় মোৰ চহৰখন ৰঙীন কৰি নুতুলো? মই এই জাবৰৰ টেমাবোৰৰ পৰাই আৰম্ভ কৰিব পাৰো দেখুন। যদি মই এটা সৰু অনুষ্ঠান কৰো, আনসকলেও মোৰ লগত যোগদান কৰিবনে?
কেইদিনমানৰ ভিতৰত যোগেশে নতুন দিল্লী পৌৰ নিগমৰ পৰা অনুমতি লৈ 'ষ্ট্ৰীট-আৰ্ট চেটাৰ্ডে' ৰ আয়োজন কৰিলে। কিন্তু -
আমি কেৱল দুয়োহে নেকি, ঠিক আছে আৰম্ভ কৰোঁ আহা।


কেইঘণ্টামানৰ পিছত -
দেখাত ধুনীয়া হৈছে। বিশ্বাসেই কৰিব নোৱাৰি যে এয়া কেৱল কেইটামান সাধাৰণ জাৰৰৰ মাজত পৰি থকা টেমা।
আমি বিচাৰিলে যিকোনো বস্তুৰেই তুলিকা কেনভাছ হৈ উঠিব পাৰে।
আমিও কৰিব পাৰোনে আমি ছবি আঁকি ভাল পাওঁ!
ART DAY
দুজন স্বেচ্ছাসেৱকৰ পৰা চাৰিজন হ'ল, আৰু তাৰ পিছত আঠজন...
যোগেশে গোটটোৰ নাম ৰাখিলে 'দিল্লী ষ্ট্ৰীট আৰ্ট' আৰু তেওঁলোকে চহৰখনৰ সৰু সৰু ৰাজহুৱা বস্তুবোৰ আৰম্ভ কৰিলে। এদিনাখন -
আমি দেৱালবোৰো পেইণ্টিং কৰা আৰম্ভ কৰিব লাগে
বহু শিল্পীয়ে আমাৰ লগত কাম কৰিব বিচাৰিছে। আমি ৰাজেন্দ্ৰ নগৰৰ বস্তি অঞ্চলৰ পৰা আৰম্ভ কৰিম।
কিন্তু ঠাইখন যে অতি লেতেৰা!
সেয়ে আমি তাক প্ৰথমে পৰিস্কাৰ কৰিম।
পিছদিনা -
তোমালোকে ইয়াত কি কৰি আছা?
চিন্তা নকৰিবা বন্ধু। আমি দোকান আৰু ইয়াত থকা ঘৰবোৰ ধুনীয়া কৰিব বিচাৰিছো।
কেইদিনমান পিছত -
ঠাইখন ভাল দেখা নাইনে?
হয়, আমাৰ ঘৰবোৰ ৰঙীন হৈ পৰিল।


প্ৰতিটো কামৰ লগে লগে দিল্লী ষ্ট্ৰীট আৰ্ট ক্ৰমান্বয়ে চহৰখনত জনপ্ৰিয় হৈ পৰিল।
ইয়াৰ পিছত মই গান্ধীজীৰ ছবি আঁকিব বিচাৰোঁ।
আৰু সেয়াই কৰিলে। যোগেশৰ তত্বাৱধানত চহৰখনে 'জাতিৰ পিতা'ৰ কিছুমান উল্লেখযোগ্য ছবি দেখিবলৈ পালে।
এদিন –
এটা ডাঙৰ খবৰ আছে। এজন লোকে তেওঁৰ বাংগালোৰোৰ ডাঙৰ স্কুল এখন সজাবলৈ প্ৰস্তাৱ দিছে।
সেইটো মজাৰ হ'ব। আমি তাৰ কিছু ৰাজহুৱা দেৱালো সজাই তুলিব পাৰিম।
সময়ৰ লগে লগে দলটোৱে অধিকৰ পৰা অধিক কাম পাবলৈ ধৰিলে। বিগত সময়ছোৱাত তেওঁলোকে ২০ খন চহৰৰ বস্তি, কাৰাগাৰ, ৰাস্তা, ৰেল ষ্টেচন, বিদ্যালয় আৰু আন বহুতো ৰাজহুৱা আৰু ব্যক্তিগত স্থান সুন্দৰ কৰি তুলিলে।
বিশ্বাস কৰিবলৈ টান হৈছে যে আমাৰ সৰু দলটোৱে ইমানবোৰ চহৰলৈ এনেধৰণৰ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছো।
যদি আমি প্ৰত্যেকেই ব্যক্তিগতভাৱে অৰিহণা আগবঢ়াও তেন্তে সমগ্ৰ দেশখনেই ৰূপান্তৰিত হৈ পৰিব।

# স্মাইল খাত্ৰী




*গুজৰাটৰ ভূজৰ ওচৰৰ এখন গাঁও
^২০০১ চনৰ গুজৰাট ভূমিকম্প


ঠিক আছে, আমি নতুন থকা ঠাইৰ সন্ধান কৰা আৰম্ভ কৰিম।
নিজৰ সম্প্ৰদায়ৰ প্ৰয়োজনীয়তাক মনত ৰাখি, ইছমাইলে ভূজৰ ওচৰতে ভাল ঠাই এখন পালে। পিছত গাঁওখনৰ নাম আজৰাখপুৰ ৰখা হয়।
ইয়াক আমাৰ শিল্প উজ্বলি উঠিব।
ব্যৱসায়ৰ বাবে নতুন আৰম্ভণি ফলপ্ৰসূ আছিল।
...কিন্তু অতি সোনকালেই নতুন সমস্যাৰ সৃষ্টি হ'ল।
আজি ক'ত আছে তোমাৰ দেউতা?
ইছমাইল ভাই, আব্বা ঘৰতে আছে। তেওঁৰ কালি কামৰ পৰা ঘূৰি আহিয়ে উশাহ-নিশাহ লোৱাত অসুবিধা পাই আছে।
ৰাসায়নিক ৰংবোৰে এলাৰ্জীৰ সৃষ্টি কৰিছে। আৰু আমাৰ শিল্পীসকলৰ মাজত হাঁপানী বেমাৰ বাঢ়িব ধৰিছে। ইয়াক কেনেকৈ সলোৱা যায়?


ইয়াৰ উত্তৰ প্ৰকৃতিতে পোৱা গ'ল। খত্ৰীয়ে ৰাসায়নিক ৰঙৰ সলনি প্ৰাকৃতিক ৰঙৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে।
ৱাহ! এইটো ৰঙো তেনেকুৱাই দেখা যায়, উজ্বল।
এয়া গছৰ শিপাৰ পৰা তৈয়াৰী। গতিকে ই কোনো ক্ষতি নকৰে।
এইদৰেই এজন মানুহ আৰু তেওঁৰ সম্প্ৰদায়ৰ প্ৰচেষ্টাত আজৰাখৰ মৃত্যুমুখী শিল্প সজীৱ হৈ উঠিল।
আজি আজৰাখৰ যথেষ্ট চাহিদা আৰু বিভিন্ন আধুনিক শৈলীৰে কাপোৰ নিৰ্মাণৰ বাবে শিল্পীসকলে পৰীক্ষা-নিৰীক্ষা কৰি আছে।
শিল্পক উৎসাহিত কৰি পুণৰোজ্জীৱিত কৰাৰ বাবে ইছমাইল খত্ৰীক লেইচেষ্টাৰৰ মনফৰ্ট বিশ্ববিদ্যালয়ে ২০০৩ চনত সন্মানীয় ডক্তৰেট ডিগ্ৰী প্ৰদান কৰিছে।
এই ক্ষেত্ৰত তেওঁ কৰা প্ৰচেষ্টাৰ বাবে ৰাষ্ট্ৰীয় বঁটা লাভ কৰে আৰু UNESCO ই সন্মানীয় ডক্তৰেট ডিগ্ৰী প্ৰদান কৰে।
ডাঃ ইছমাইল খাত্ৰীৰ পুত্ৰ আৰু নাতিয়ে আজৰাখ ব্লক প্ৰিণ্টাৰৰ কাম কৰি আছে আৰু একাদশ হিচাপে এই কাম বৰ্তাই ৰাখিছে।

# ৰাজু




*পঞ্জাৱৰ এখন চহৰ


হতাশ আৰু বেজাৰমূৰা হৈ ৰাজুৱে ৰাজপথত ভিক্ষা খুজিবলৈ বাধ্য হ'ল।
মোৰ দাদাহঁতৰ নিজৰ নিজৰ পৰিয়াল আছে, মই তেওঁলোকৰ ওপৰত বোজা হ'ব নোখোজো। মই হাৰি যাব নোৱাৰো।
চাহাব, মোক এটকা পইচা দিয়ক।
এয়া লোৱা।
ৰাজু দিনৰ পিছত দিন ধৰি ধাংগু পথত ভীক্ষা খুজিবলৈ ধৰিলে। মানুহবোৰে ভাল ব্যৱহাৰৰ বাবে ৰাজুক চিনি পাবলৈ ধৰিলে আৰু মুকলি মনেৰে ভীক্ষা দিবলৈ ধৰিলে।
মই প্ৰতিদিনে ৫০০ ৰ পৰা ৭০০ টকালৈকে উপাৰ্জন কৰোঁ। কিন্তু মোক চলিবলৈ ২০০ টকাহে লাগে.. বাকী টকাখিনি মই সাঁচি থম যাতে কাৰোবাক সহায় কৰিব পাৰোঁ।
এইদৰেই ৰাজুৰ জীৱন যুদ্ধ আৰম্ভ হ'ল।
ভাই, মই শুনিছো তুমি আমাৰ দৰে দুখীয়া মাক-বাপেকক ছোৱালী বিয়া দিয়াৰ কামত সহায় কৰা! আমাকো কৰিবানে?
আপোনালোকক কি লাগে কওঁক, মই আপোনালোকৰ ছোৱালীৰ বিবাহিত জীৱনৰ বাবে যি পাৰো সহায় কৰিম।
ৰাজুৱে পৰিয়ালটোক ১১০০ টকা, ৫০ কেজি চাউল আৰু এখন পাংখা দিলে।


ৰাজুৱে কেৱল বিবাহৰ বাবেই সহায় কৰা নাছিল, কভিড'ৰ সময়ত ২৫০০ মাক্সো দান কৰিছিল।
মাক্স নোহোৱাকৈ কিয় ঘূৰি ফুৰিছা, লোৱা এইখন, নহলে তোমাৰ বেমাৰ হ'ব।
ধন্যবাদ ৰাজু।
যেতিয়া ধাংগু পথৰ এখন দলং ভাগি পৰিছিল, ৰাজুৱেই সেইখন মেৰামতি কৰি দিছিল।
আমি ৰাজুৰ প্ৰতি কৃতজ্ঞ। সি নিজৰ পৰা ৩০০০০ টকা দি দলংখন মেৰামেতি কৰাত সহায় কৰিলে।
যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৰাজুৰ কথা নিজৰ ৰেডিঅ' অনুষ্ঠানত কলে তেতিয়াৰ পৰা ৰাজুক চাবলৈ ৰাইজৰ সোঁত ব'বলৈ ধৰিলে।
তুমি আমাৰ বাবে অনুপ্ৰেৰণা ৰাজু।
তোমাৰ সহায়ৰ বাবে আমি সদায়ে তোমাৰ প্ৰতি কৃতজ্ঞ হৈ থাকিম।
আমি সকলোৱে এয়া কৰিব পাৰো। আমাক মাত্ৰ লাগে সামান্য কষ্ট আৰু ডাঙৰ ডাঙৰ কাম কৰিবলৈ উদ্যম।

# ঙুৰাং মীনা




*বেচৰকাৰী সংস্থা

# ঙুৰাং মীনা




*ভাৰতৰ আটাইতকৈ সাক্ষৰ চহৰ মিজোৰামৰ ৰাজধানী


মীনা, কোনোবাই পঢ়িবলৈ নিয়া কিতাপবোৰ যদি ঘূৰাই নিদিয়ে তেন্তে কি হ’ব?
সকলো ঠিকেই আছে। যেনেকৈ নহলেও সিহঁতিয়েই লাভৱান হ’ব। আমি সিহঁতৰ বাবেই আৰম্ভ কৰা নাছিলো জানো ?
সেয়া আছিল এক যুগান্তকাৰী পদক্ষেপ।
মীনা আৰু দেৰাঙৰ কামখিনি বহুতেই আদৰি ললে আৰু তাৰ মানুহৰো বহুত সহায় পালে।
মীনা, ইয়াত মোৰ সন্তানৰ কিছু পুৰণি কিতাপ আছে। মই তোমালোকৰ পুথিভঁৰাললৈ দান কৰিবলৈ বিচাৰিছো।
ধন্যবাদ, মহোদয়!
তেওঁলোকে পুথিভঁৰালৰ বাবে টকা পইছা আৰু অনুদানো লাভ কৰিবলৈ ধৰিলে।
মীনাৰ বিশ্বাস যে কিতাপ পঢ়া সংস্কৃতিয়ে আমাৰ সাক্ষৰতাৰ অনুপাত বৃদ্ধি কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলে ভাল ফলাফল লাভ কৰিবলৈ অনুপ্ৰাণিত হ’ব।
মোৰ প্ৰিয় অৰুণাচল,অনুগ্ৰহ কৰি ভাবি চাওক। এইটো কেৱল চৰকাৰেই দায়িত্ব নহয় যে আমাৰ যত্ন ল’ব। আমি ব্যক্তি হিচাপে, ৰাজ্যৰ নাগৰিক হিচাপে, জনা উচিত ক’ত আমি পিছ পৰি আছো। গতিকে আনক দোষ দিয়া বন্ধ কৰি নিজেই আৰম্ভ কৰো আহক।
0:35/4:13
ৰাজ্যজুৰি আৰু অধিক পুথিভঁৰাল নিৰ্মাণ কৰাৰ আশা মীনাই পুঁহি ৰাখিছে। তাইৰ এই পদক্ষেপ সমগ্ৰ দেশৰ বহুতৰে বাবে এক প্ৰেৰণা হৈ আহিছে।


পন মৰিয়াপ্পান
সুজিত, তোমাৰ চুলিৰ নতুন ষ্টাইলটো বৰ ধুনীয়া লাগিছে।
হা হা! এইটো শেহতীয়া ষ্টাইল ছাৰ।
ছাৰ, সুজিতক চিনেমাৰ হিৰ'ৰ দৰে লাগিছে।
আপুনি পন মৰিয়াপ্পানৰ নাপিতৰ দোকানলৈ গৈছে নে? তেওঁ বৰ ভাল ভাল কিতাপৰ লগতে সুন্দৰ চুলিও কাটে। প্ৰধানমন্ত্ৰীয়ে ৰেডিঅ'ত তেওঁৰ কথা কোৱাৰে পৰা তেওঁ বিখ্যাত হৈ পৰিছে।
পন মৰিয়াপ্পান তামিলনাডুৰ থুথুকুডী চহৰত থাকে। তেতিয়া তেওঁ অষ্টম শ্ৰেণীত পঢ়ি আছিলঃ
বাচা, কেৱল মোৰ উপাৰ্জনেৰে পৰিয়াল চলোৱাতো কঠিন হৈ পৰিছে। সেয়ে তুমিও কাম কৰিব লাগিব।
ঠিক আছে দেউতা, চিন্তা নকৰিবা। তাকেই কৰিম।
মই কিতাপ পঢ়ি বৰ ভাল পাওঁ। তথাপিও দেউতাৰ কথা শুনিবই লাগিব।
পন মৰিয়াপ্পানে এখন চেলুন খুলিলে আৰু ভালদৰে উপাৰ্জন কৰাত লাগিল।
মোৰ অনুভৱ হয় জীৱনত যেন কিবা এটাৰ বিৰাট শূন্যতা। মোৰ চেলুনখনত মানুহে কেৱল চুলি কটাবলৈ অহাৰ সলনি আৰু কিবা এটা হ'ব লাগিব।




*থিৰুৱাল্লুৱাৰে ৰচনা কৰা এখন তামিল কিতাপ।

# কালমানে কামেগৌড়া



স্কুলৰ জিৰণিৰ সময় আছিল।
তুমি কি কৰিছা লক্ষ্মী?
এইটো ঘৰচিৰিকা চৰাইবোৰৰ বাবে, ইমান গৰমত সিহঁতি পিয়াহত আতুৰ হৈছে চাগৈ।
পাৰুলে সহায় কৰাৰ সিদ্ধান্ত ল'লে আৰু অলপ পিছতে ছাত্ৰ-ছাত্ৰীৰ এটা সৰু গোটে সকলোতে পানীৰ বাটি ৰাখিবলৈ ধৰিলে।
ইয়াত কি চলি আছে?
আমি চৰাই চিৰিকটি আৰু জন্তুবোৰৰ বাবে পানী থৈছো ছাৰ।
সঁচাকৈয়ে গৰমত সকলোৰে কণ্ঠ শুকাই গৈছে। সেয়ে মই ভাৱিলো সিহঁতক অলপ সহায় কৰা যাওঁক, আৰুনো আমি সিহঁতৰ বাবে কি কৰিব পাৰোঁ।
এয়া খুব ভাল কাম লক্ষ্মী। কিন্তু যদিহে মানুহে বিচাৰে তেওঁলোকে এই জীৱ-জন্তুবোৰৰ বাবে বহুত কিবা কিবি কৰিব পাৰে। মই তোমালোকক কামেগৌড়াৰ কাহিনী কম, যাৰ কামক মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁৰ মন কী বাত অনুষ্ঠানত প্ৰশংসা কৰিছে।
কালমানে কামেগৌড়া এজন গৰখীয়া আছিল যি কৰ্ণাটকৰ মাণ্ডিয়া জিলাৰ দাসনাদোদ্দি গাঁৱত বাস কৰিছিল।
হুৰৰ...হুৰ...খৰ কৰা শান্তা! তুমি আনদিনাৰ দৰেই আজিও পিছ পৰি আছা।


দিনটোৰ বেছিভাগ সময় তেওঁ ওচৰৰ কুণ্ডুৰু বেটাৰ পাহাৰটোৰ চাৰিওফালে নিজৰ ভেড়াবোৰ চৰায় পাৰ কৰিছিল। এদিনাখন -
ইমান গৰম পৰিছে। ছেহ, পাহাৰটোৰ ওপৰত এটোপাল পানী পাবলৈ নাই।
ঠিক তেতিয়াই -
তোমাক ভাগৰুৱা দেখাইছে। তুমিও মোৰ দৰেই পিয়াহত আছা নেকি? মই অন্ততঃ ভেড়াপাল লৈ মোৰ গাঁৱলৈ উভটি যাম আৰু পানী খাম। কিন্তু তোমালোক বেচেৰা জীৱবোৰে কি কৰিবা
চিন্তাটো কামেগৌড়াৰ মনত বহুদিনলৈকে থাকি গ'ল--
মই ইয়াতে এটা ডাঙৰ পুখুৰী খান্দিম যাতে জন্তু আৰু চৰাইবোৰে পানী খাব পাৰে।
কিন্তু সি যিমানেই পানী নভৰালেও কেইঘণ্টামান পিছতে পানীখিনি শুকাই যায় বা ভাপ হৈ উৰি যায়।
বহু বিবেচনাৰ অন্তত-
ক্ষমা কৰিবা কমলা। মই পুখুৰী খান্দিবলৈ সঁজুলী কিনিবলৈ তোমালোকক বেচিব লাগিব। তেহে তোমালোকৰ বাবে এটা পুখুৰী খান্দিবলৈ পাৰিম।
সোনকালেই সি এডোখৰ ঠাই বাচি উলিয়ালে যত মাটিবোৰ অলপ সেমেকা আছিল আৰু খান্দিবলৈ আৰম্ভ কৰিলে। কিন্তু –
প্ৰায় ১৫ দিন হৈ গল, তথাপিও মই বেছি দলৈ খান্দিবই পৰা নাই। মই আৰু ভেড়া বেচিব লাগিব যাতে এখন জেচিবি ভাৰা কৰিব পাৰোঁ। এয়াই একমাত্ৰ উপায়।

# কালমানে কামেগৌড়া



মাহজোৰা কঠোৰ পৰিশ্ৰমৰ অন্তত -
এতিয়া মই বাৰিষালৈহে বাট চাব লাগিব। যদি ভগৱানে বৰষুণ দিয়ে তেন্তে পুখুৰীটো পানীৰে ভৰি পৰিব।
কেইদিনমান পিছতে..
মইতো বিশ্বাসেই কৰিব পৰা নাই। মৰমৰ জীৱবোৰ, তোমালোকে জী ভৰি পানী খোৱা, এয়া সব তোমালোকৰ বাবে।
গৰু, ছাগলী আৰু বনৰীয়া জীৱ জন্তবোৰেও এই পুখুৰীৰ পানীয়ে খাবলৈ ললে।
পিছৰ ৪০ বছৰৰ এয়া আছিল মাত্ৰ আৰম্ভণি। কামেগৌডাই ১৫ লাখতকৈও অধিক টকা ১৬ টা পুখুৰী খন্দাবলৈ খৰচ কৰিলে আৰু মানুহে তেওঁক পুখুৰী মানৱ বুলি মাতিবলৈ ললে। এদিনাখন -
মই এজন সাংবাদিক, মোক আপোনাৰ কথা কওঁকচোন। এই পুখুৰীবোৰৰ বিশেষত্ব কি ?
পাহাৰৰ পানী বৈ গৈ এটা পুখুৰী ভৰি পৰে। সেইটো ভৰ্তি হলে তাৰ পানী গৈ আনটো পুখুৰীত পৰে। আচলতে আটাইবোৰ পুখুৰী আন্তঃসংলগ্ন। আৰু সেই বাবে গ্ৰীষ্ম কালতো পুখুৰীবোৰৰ পানী নুশুকাই।
পুখুৰী নিৰ্মাণৰ লগতে কামেগৌড়াই হাজাৰ হাজাৰ গছ ৰোপণ কৰিছিল আৰু আহঁতৰ বাগিছা তৈয়াৰ কৰি গোটেই পাহাৰটোকেই জংঘললৈ ৰূপান্তৰিত কৰা।
তেওঁৰ প্ৰচণ্ড প্ৰচেষ্টাৰ বাবে কামেগৌড়াই বহু বঁটা বাহন লাভ কৰিছিল। তাৰ ভিতৰত বাসৱশ্ৰী বঁটা আৰু কৰ্ণাটক ৰাজ্যোৎসৱ বঁটা।
মই বঁটাৰ ধন ব্যৱহাৰ কৰি আৰু অধিক পুখুৰী খন্দাব পাৰো আৰু গছ ৰুব পাৰো।
কামেগৌদাই ২০২২ চনৰ অক্টোবৰ মাহত ৪৮ বছৰ বয়সত মৃত্যুৰ আগমূহুৰ্তলৈকে কাম কৰি যায়। এনেদৰেই মাণ্ড্যাৰ এখন সৰু গাঁৱৰ এজন লোক সমগ্ৰ দেশৰে ডাঙৰ ডাঙৰ পৰিৱেশবিদসকলৰ বাবে প্ৰেৰণীয় হৈ উঠিল।

# প্ৰদীপ সাংৱান




*হিমাচল প্ৰদেশৰ এটা বিখ্যাত হ্ৰদ

^মূলতঃ হিমাচল প্ৰদেশ আৰু ইয়াৰ আশে-পাশে বাস কৰা এটা অৰ্ধ-পশুপালন জনগোষ্ঠী




*মানালীৰ এটা বিখ্যাত জলপ্ৰপাত।


দিনবোৰ বৰ হতাশজনক আছিল....
হিমালয় পৰিস্কাৰ কৰিবলৈ চোন গোটেই জীৱনটো লাগিব।
...কিন্তু প্ৰদীপ আৰু তেওঁৰ দলটোৱে হাৰ মানিবলৈ অস্বীকাৰ কৰিলে।
আমি যেতিয়া একেলগে কাম কৰিম, সুৰংগৰ শেষত পোহৰ পামেই।
মই আনটো বেগ ধৰিছো দিয়া প্ৰদীপ।
তাৰ মানুহবোৰৰ সহায়ত তেওঁলোকে হিমালয় অঞ্চলৰ কাষৰীয়া গাওঁবোৰত আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰসমূহ স্থাপন কৰিলে।
কেৱল ঠাইসমূহ পৰিস্কাৰ কৰাই নহয়, তেওঁলোকে স্থানীয় মানুহবোৰৰ বাবে নিয়োগৰো ব্যৱস্থা কৰিলে।
প্ৰদীপৰ এনেকুৱা কেন্দ্ৰ অধিক বৃদ্ধি কৰাৰ পৰিকল্পনা আছে।
'হিলিং হিমালয়'ই আজিলৈকে হাজাৰ হাজাৰ গছ ৰোপণ কৰিছে আৰু প্ৰায় ৮,০০,০০০ কিলোগ্ৰাম অজৈৱ-বিঘ্নিত আৱৰ্জনা চাফা কৰিছে।
যেতিয়াৰ পৰাই মই এই যাত্ৰা আৰম্ভ কৰিলো, এবাৰলৈও পিছলৈ ঘূৰি চোৱা নাই। বহু কৰিবলৈ বাকী আছে, আমি মাত্ৰ আৰম্ভ কৰিছোহে।

# কাম্যা কাৰ্তিকেয়ন




*মহাৰাষ্ট্ৰৰ মুম্বাইৰ ওচৰত


পৰ্বতত এনে কি আছেনো আম্মা, যে দেউতা বাৰে বাৰে গৈ থাকে।
আমিও যাও বলা, কি আছেনো চাওঁগৈ ?
কাম্যাৰ মাকে তাইক পাহাৰ বগোৱাৰ অভিজ্ঞতা দিবলৈ বিচাৰিলে।
লগে লগে –
বাঃ কি ধুনীয়া ?
এনে লাগিছে যেন আমি পৃথিৱীৰ শীৰ্ষত আহোৰণ কৰিছো।
সাত বছৰ বয়সত তাই উত্তৰাখণ্ডত চন্দ্ৰশিলা শৃংগ বগাইছিল।
দুবছৰ পিছত কাম্যাই লাডাখৰ ষ্টক কাংগ্ৰী শৃংগলৈ গ'ল।
মোৰ প্ৰথম ৬০০০ মিটাৰ আৰোহণ !
বাহঃ!
কিছুদিন পিছতে তাই এটা ব্যক্তিগত অভিযান আৰম্ভ কৰিলে।
মই বিশ্বৰ উচ্চতম শৃংগ আৰোহণ কৰিব বিচাৰো আৰু উত্তৰ মেৰু আৰু দক্ষিণ মেৰুলৈ যাবলৈ বিচাৰো।
মিছন সাহস*, কাম্যাই কোৱাৰ দৰে 'এক্সপ্লোৰাৰচ্ গ্ৰেণ্ড শ্লেম' !

*হিন্দীত সাহস

# কাম্যা কার্তিকেয়ন


২০২২ চনলৈকে, কাম্যাই বিশ্বৰ সাতটা শীৰ্ষ শৃংগৰ ভিতৰত পাঁচটা শীৰ্ষ শৃংগ আৰোহণ কৰিলে।
TANZANIA
মাউণ্ট কিলিমাঞ্জাৰো, আফ্ৰিকাৰ সৰ্বোচ্চ শৃংগ
মাউণ্ট এলব্ৰাছ, ইউৰোপৰ সৰ্বোচ্চ শিখৰ
মাউণ্ট কচচিউস্কো, অষ্ট্ৰেলিয়াৰ সৰ্বোচ্চ শৃংগ
মাউণ্ট একনকাগুয়া, দক্ষিণ আমেৰিকাৰ সৰ্বোচ্চ শৃংগ
মাউণ্ট ডেনালি, উত্তৰ আমেৰিকাৰ সৰ্বোচ্চ শৃংগ
কাম্যা মাউণ্ট একনকাগুয়া জয় কৰা আটাইতকৈ কম বয়সীয়া ব্যক্তি। আৰু মাউণ্ট এলব্ৰাছৰ শিখৰৰ বগোৱা আটাইতকৈ কম বয়সীয়া লোক।
তাইৰ অদম্য মনোভাৱ আৰু পৰ্বতাৰোহণৰ অসংখ্য কৃতিত্বৰ বাবে ভাৰত চৰকাৰে তেওঁক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বালপুৰস্কাৰেৰে সন্মান জনায়।
(NIC)
BARAMULLA
পৰিয়ালৰ দুঃসাহসিক কাম হিচাপে আৰম্ভ হোৱা কামটো, পৰ্বতপ্ৰেমী হিচাপে জন্ম লোৱা ছোৱালীজনীয়ে ইতিহাস ৰচিবলৈ সক্ষম হ'ল। কাম্যাই সৰ্বোচ্চ শৃংগবোৰ জয় কৰিয়েই আছে আৰু নতুন নতুন অভিলেখ স্থাপন কৰি আছে।

# আনভী জাঞ্জাৰুকীয়া




*এটা জিনীয় বিকাৰ যিয়ে বিকাশ আৰু বৌদ্ধিকভাৱে অক্ষম কৰে।

^হৃদযন্ত্ৰৰ গঠনৰ সমস্যা যিবোৰ জন্মৰ পৰাই বিদ্যমান।


আনভী ডাঙৰ হৈ অহাৰ লগে লগে তাই অন্য ল'ৰা ছোৱালীয়ে সহজেই কৰিব পৰা কামবোৰ কৰিবলৈও সংগ্ৰাম কৰিব লগা হ'ল।
আনভী, কথা কোৱা । কেতিয়া কথা ক'বলৈ আৰম্ভ কৰিবা তুমি ?
আনভীৰ বয়স যেতিয়া ১০ বছৰ আছিল, তেতিয়া তাইৰ পিতৃ-মাতৃ আচৰিত কিবা এটা লক্ষ্য কৰিলে।
সেইটো দেখিছেনে?
অস ! আশ্চৰ্যজনক !
এয়া সঁচাকৈয়ে আশ্চৰ্যকৰ। ই তাইৰ স্বাস্থ্যৰ বাবেও উপকাৰী হ'ব।
চাওক তাই কিমান নমনীয় ! তাই যোগাসন শিকিব পাৰিব।
অভনীৰ অনুৰোধত বিদ্যালয়ৰ যোগৰ শিক্ষক নম্ৰতাই তাইক যোগাসন শিকোৱাৰ দায়িত্ব ললে।
লাহে লাহে বেঁকা হোৱা আৰু ভৰিৰ আঙুলিকেইটা ধৰা। আঁঠু পোন কৰি ৰাখা।


কেইসপ্তাহমানৰ পিছত -
কেনেকুৱা হৈছে ?
কিছু আসন তাইৰ বাবে কঠিন হৈছে, কিন্তু তাই কেতিয়াও হাৰ নামানে !
আনভীয়ে প্ৰতিদিনে যোগাভ্যাস কৰিবলৈ ধৰিলে । ৰাতিপুৱা এঘণ্টাৰ বাবে আৰু সন্ধিয়া এঘণ্টা। এদিনাখন -
মা....
আনভীয়ে যোগাসন প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পালে।
মই বিশ্বাস কৰিব নোৱাৰিছো, বহুত সুখী হৈছো।
পিছৰ তিনি বছৰত আনভীয়ে প্ৰতিযোগিতাসমূহত ৫১টা পদক, তিনিটা স্বৰ্ণ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত দুটা ব্ৰঞ্জৰ পদক জয়লাভ কৰে । ২০২১ চনৰ ডিচেম্বৰ মাহত -
ৰাষ্ট্ৰীয় পৰ্যায়ত দিব্যাংগৰসকল শ্ৰেষ্ঠ সৃষ্টিশীল শিশুৰ বঁটা আনভী জাঞ্জাৰুকীয়াক দিয়া হৈছে।
২০২২ চনৰ জানুৱাৰী মাহত, আনভীক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বালপুৰস্কাৰ দিয়া হয়। কিন্তু কেইমাহমানৰ পিছতহে তাইৰ সপোন বাস্তৱায়িত হ'ল, যেতিয়া তাইলৈ প্ৰধান মন্ত্ৰীৰ পৰা ফোন আহিল, তাইক লগ কৰিবলৈ কাৰ্যালয়লৈ নিমন্ত্ৰণ জনালে ।
তুমি ভাৰতক গৌৰৱান্বিত কৰিলা। আগলৈ তোমাৰ এটা উজ্জ্বল ভৱিষ্যতৰ আছে।
ধন্যবাদ!
এতিয়া তাইৰ ইচ্ছা প্ৰধানমন্ত্ৰীৰ সতে একেলকে যোগাসন প্ৰদৰ্শন কৰিব।



MANN KI BAAT 100

# মন কী বাত

প্ৰথম খণ্ড

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া তেওঁৰ মাহেকীয়া ৰেডিঅ' অনুষ্ঠান 'মন কী বাত' ৩ অক্টোবৰ, ২০১৪ তাৰিখে আৰম্ভ কৰিছিল, তেওঁ বিচাৰিছিল এটা মঞ্চ য'ত তেওঁ মানুহৰ সৈতে প্ৰত্যক্ষভাৱে সংযোগ স্থাপন কৰিব পাৰিব আৰু তেওঁৰ হৃদয়ৰ ওচৰৰ বিষয়বোৰৰ বিষয়ে তেওঁলোকৰ লগত কথা পাতিব।

২০২৩ চনৰ এপ্ৰিল মাহত তেওঁ এই অনুষ্ঠানৰ ১০০টা খণ্ড সম্পূৰ্ণ কৰে যাৰ জৰিয়তে তেওঁ ভাৰতৰ সাধাৰণ নাগৰিকে ভাৰতৰ বাবে কৰা কিছুমান প্ৰেৰণাদায়ক কামক সন্মুখলৈ আনিছিল। তেওঁ ব্যক্তি আৰু সংস্থাসমূহৰ দ্বাৰা লাভ কৰা উল্লেখযোগ্য কৃতিত্বৰ কথাও ক'লে। যিসকল লোকে অক্ষমতা, দৰিদ্ৰতা আৰু নিৰুৎসাহিততাক অতিক্ৰম কৰি উচ্চতা প্ৰাপ্ত কৰিলে। নিজৰ চাৰিওফালে গোট খোৱা মানুহৰ আবেগ আৰু বিশ্বাসক লৈ অসম্ভৱ সাধন কৰিবলৈ প্ৰেৰণা যোগোৱাই তেওঁৰ লক্ষ্য আছিল।

অমৰ চিত্ৰ কথাই সাংস্কৃতিক মন্ত্ৰালয়ৰ লগ লাগি 'মন কী বাত'ৰ নিৰ্বাচিত গল্পৰ আধাৰত ১২খন কমিকচৰ ধাৰাবাহিকৰ প্ৰথমখন নিৱেদন কৰিছে।



₹90

ISBN 978-81-19242-22-1